দলবিলাকৰ মাজত কেতিয়াবা দন্‌খাৰিয়ালো লাগিছিল। চোলা ৰাজ্য সেই সময়ত দক্ষিণাত্যত শক্তিশালী হৈ উঠে। এই চোলা ৰাজ্যই সাগৰৰ শক্তিৰ বলত বলীয়ান হৈ শৈলেন্দ্ৰৰ বিৰুদ্ধে নৌ শক্তি পথিয়াই কিছুদিনৰ কাৰণে শৈলেন্দ্ৰক বশীভূত কৰে।

এনে ভাবেই অতীত ভাৰতে ঔপনিবেশিকৰ পাতনি মেলে। দেশত গঢ়ি উঠা উদ্যোগ আৰু সাগৰৰ বেহা বেপাৰে ভাৰতক সমৃদ্ধিশালী কৰি পূবৰ দেশ সমূহৰ মাজলৈ টানি নিলে। পুৰণি সংস্কৃত লিখনিয়ে ভাৰতক সোণৰ দ্বীপ বা স্বৰ্ণদ্বীপ বুলিছিল। এই নামেই হল লোভনীয়।

অতীত ভাৰতৰ ঔপনিবেশিকৰ দলে উপনিবেশ পাতি তাতেই বসতি কৰি ৰল। পাচত আন ব্যৱসায়ী দল গৈ তেওঁলোকৰ লগত মিলি শান্তিৰে ব্যৱসায় বাণিজ্য চলাই থাকিল। এনেভাবে যি সকলৰ মিলন হল তেওঁলোকৰ মাজত সভ্যতাৰো সংমিশ্ৰণ প্ৰসাৰিত হয়। বহু ক্ষত্ৰিয় ৰাজকোৱঁৰ সৈন্য সামন্তৰে ভাৰতৰ পৰা গৈ সেই বিলাক উপনিবেশত দুঃসাহসিকতাৰ কামো কৰিছিল। ভাৰতৰ পৰা মাম্বা জনজাতিৰ লোক গৈ মালয় দ্বীপত মালুৱা জাতি গঢ়ি তোলে। এই মালুৱা জাতিয়েই ইন্দুনেচীয়াত প্ৰধান অংশ গ্ৰহণ কৰে। মধ্য-ভাৰতৰ এক অংশ এতিয়াও মালুৱা নামে জনাজাত। কলিঙ্গ অৰ্থাৎ উৰিষ্যাৰ পৰাই সাগৰেদি সুদূৰ দেশলৈ ভাৰতৰ ঔপনিবেশিকৰ দল গল। এই দল সমূহৰ ভিতৰত পল্লভ ৰাজ্যৰ দলহে প্ৰথমে উপনিবেশ স্থাপন কৰিব লৈ যত্ন কৰে। দক্ষিণ পূব এচিয়াৰ বিখ্যাত শৈলেন্দ্ৰ বংশ উৰিষ্যাৰ পৰাই অহা বুলি অনুমান হয়। উৰিষ্যাই আছিল সেই সময়ত বৌদ্ধধৰ্ম্মৰ কেন্দ্ৰস্থান। ইয়াৰ শাসনকৰ্ত্তা সকল ব্ৰাহ্মণিক বংশধৰ।

এই বিলাক উপনিবেশ স্থাপন হৈছিল চীন আৰু ভাৰত এই দুয়ো মহাদেশৰ মাজত যাতায়তৰ সুগমৰ কাৰণে। কিছুমান উপনিবেশ স্থাপন হল চীন দেশৰ সীমান্তত আৰু কিছুমান স্থাপন হল এচিয়া

মহাদেশৰ প্ৰধান ঠাই সমূহত। চীন মহাদেশ ভাৰত মহাদেশৰ লগত পোনপতীয়াভাবে ব্যৱসায়ত মিল হল। এই ব্যৱসায়ৰ ঘনিষ্ঠ সমন্ধই ইন্দুচীনত ভাৰতীয় সভ্যতা গঢ়ি তোলে। এই সমন্ধৰ কাৰণেই ভাৰত আৰু চীনৰ মাজত কোনো যুদ্ধবিগ্ৰহো হোৱা নাছিল। বহু বিষয়তেই দুয়ো মহাদেশৰ মিল আছিল।

চীন মহাদেশৰ প্ৰভাৱ বেচিকৈ ব্ৰহ্মদেশ, শ্যাম দেশ, আৰু ইন্দুচীনত পৰে। পূব সাগৰৰ দ্বীপ সমূহ আৰু মালয় প্ৰণালী ভাৰতীয় ভাব-ধাৰাত অন্তৰ্নিহিত হয়। চৰকাৰৰ শাসন প্ৰণালী আৰু জনসাধাৰণৰ জীৱনৰ গতি চীনৰ পৰাই অনুকৰণ কৰে। শিল্প আৰু ধৰ্ম্মহে কেৱল ভাৰতৰ। ব্যৱসায়ত প্ৰধান প্ৰধান দেশসমূহে চীনৰ ওপৰত নিৰ্ভৰ কৰে। সেই কাৰণেই এই দেশসমূহৰ মাজত বাজতুভৰো আদান প্ৰদান হয়। কম্বুদ্বীয়া আৰু অঙ্কুৰাত যে ভাৰতীয় শিল্পবিদ্যাৰ প্ৰভাৱ পৰিছিল তাক কম্বুদীয়া আৰু অঙ্কুৰাৰ ধ্বংশৰ অংশ বিশেষৰ পৰাই সহজে অনুমান কৰিব পাৰি।

চাৰ জোন মাৰশেলৰ মতে ভাৰতীয় আৰু গ্ৰীকৰ শিল্পবিদ্যা সকলো দেশেই সহজে লব পৰিছিল।

ভাৰতীয় শিল্পবিদ্যা ভাৰতীয় ধৰ্ম্ম আৰু দৰ্শনৰ ভিত্তিতে গঢ়ি উঠে। যেনেকৈ ভাৰতীয় বৌদ্ধ ধৰ্ম্ম পূব প্ৰান্তৰৰ বহু দেশ বিয়পি গল তেনেকৈয়েই ভাৰতীয় শিল্প বিদ্যাও বিয়পি পৰিল। ব্ৰাহ্মণ ধৰ্ম্মৰ প্ৰভাৱো এই উপনিবেশ সমূহত পৰে। এই কাৰণেই এই উপনিবেশ সমূহত বৌদ্ধধৰ্ম্মৰ মহাজন পন্থা হয়। ভাৰতীয় উপনিবেশৰ সময় প্ৰায় তেৰশ বছৰ জোৰা। দ্বিতীয় আৰু তৃতীয় শতাব্দীৰ পৰা আৰম্ভ কৰি ১৫০০ পোন্ধৰশ শতাব্দীৰ শেহলৈকে এই উপনিবেশসমূহ থাকে। আগৰ উপনিবেশসমূহ সৰু সৰু বিশেষ মন কৰিব লগীয়া নাছিল কিন্তু ৫০০ পাঁচশ শতাব্দীৰ পৰা স্থাপিত হোৱা উপনিবেশসমূহ ডাঙৰ। এই উপনিবেশসমূহে ডাঙৰ ডাঙৰ নগৰ চহৰ গঢ়ি তোলে। ৮০০ আঁঠ শ শতাব্দীত সাগৰত বেহা বেপাৰ মনত ৰাখিব লগীয়া ধৰণৰ

হয়। সাগৰেদি গৈ উপনিবেশ স্থাপন কৰা ৰাজ্যসমূহৰ ভিতৰত শৈলেন্দ্ৰ ৰাজ্য বা শ্ৰীবিজয় বিখ্যাত হৈ পৰে। মালয়শীয় এই ৰাজ্যই জলপথ আৰু স্থলপথ দুয়ো পথতেই আধিপত্য বিস্তাৰ কৰে। এই শ্ৰীবিজয় ৰাজ্যৰ ৰাজধানী সুমাত্ৰা। অলপতে আবিস্কাৰ কৰা মতে এই ৰাজ্য মালয় প্ৰণালীৰ। শ্ৰীবিজয় ৰাজ্যৰ অধীনত আছিল মালয়, সিংহল, সুমাত্ৰা, জাভাদ্বীপৰ কিছু অংশ, বৰ্ণিও, চেলিবিজ দ্বীপপুঞ্জ, ফিলিপাইন আৰু ফৰমুচাৰ কিছু অংশ। অনুমানিক ভাবে চম্পা (আন্নাম) আৰু কম্বুদ্বীয়াৰ ওপৰতো এই ৰাজ্যই প্ৰভুত্ব বিস্তাৰ কৰিছিল।

শৈলেন্দ্ৰ বংশৰ ৰাজ্য গঢ়াৰ আগেয়ে মালয় কম্বুদ্বীয়া আৰু জাভাত শক্তিশালী ৰাজ্য গঢ়ি উঠে। মালয় পেনিনচুলাৰ উত্তৰ অংশত শ্যামদেশৰ সীমান্তৰ কাষতে বহু ধ্বংসাৱশেষ পোৱা গৈছে। এই সকলো বিলাকে অতীতৰ উন্নত সভ্যতা আৰু উন্নত শিল্প বিদ্যাৰেই পৰিচয় দিয়ে। আন্নামত পাণ্ডুৰঙ্গমৰ নগৰ আছে। এই চহৰ তৃতীয় শতাব্দীত গঢ়া। পঞ্চম শতাব্দীত কামভোগ চহৰ প্ৰধান হৈ উঠে।

বিখাত জয়বৰ্ম্মণে ৯ম শতিকাত সৰু সৰু ৰাজ্যসমূহ লগলগাই কম্বুদ্বীয়া সাম্ৰাজ্য গঢ়ি তোলে। ইয়াৰ ৰাজধানী অঙ্কুৰা। এই কম্বুদ্বীয়া ৰাজ্য শৈলেন্দ্ৰৰ অধীনত আছিল। ৯ম শতাব্দীত কম্বুদ্বীয়া স্বাধীন ৰাজ্যত পৰিণত হয়। ৪০০শ বছৰ জুৰি কম্বুদ্বীয়া ৰাজ্য শক্তিশালী ৰাজ্য হৈ বল। ইয়াৰ ৰজা আছিল জয়বৰ্ম্মণ, যশোবৰ্ম্মণ, ইন্দ্ৰবৰ্ম্মণ আৰু সূৰ্য্যবৰ্ম্মণ। এচিয়া, মহাদেশৰ মাজত অঙ্কুৰা ৰাজধানী সুবিখ্যাত। সৌন্দৰ্য্যৰে ভৰপূৰ ধুনীয়া অঙ্কুৰা বুলি জনাজাত। বহুলোক এই ৰাজধানীত বসতি কৰিছিল আৰু চীজাৰৰ "ৰোম" ৰাজ্যতকৈয়ো ধুনীয়া আৰু ডাঙ্গৰ আছিল। চহৰৰ কাষতেই অঙ্কুৰাৰ "বট" ধৰ্ম্ম মন্দিৰ। ১৩০০ শতাব্দীলৈকে কম্বুদ্বীয়া উন্নত আৰু শক্তিশালী হৈ বল। চীনা পৰিব্ৰাজকে ১২৯৭ চনত এই চহৰৰ ইতিহাস লিখে। হঠাতে এই চহৰ নিৰ্ম্মুল হল। বহু অট্টালিকা আধা কৰা অৱস্থাতেই

ধ্বংস হল। "মেকং" নদীয়ে পলস পেলোৱাত এই দুৰ্ঘটনা ঘটিল। পলসে এই চহৰ সকলো দিশকেই জলাশয় কৰে আৰু শেষত এই চহৰ মানুহে ত্যাগ কৰে।

জাভাদ্বীপ ৯ম শতাব্দীত শৈলেন্দ্ৰ ৰাজ্যৰ পৰা ওলাই আহিল। ইন্দুনেচীয়া ১১শ শতাব্দীলৈকে শৈলেন্দ্ৰ ৰাজ্যৰ অধীনত থাকিল। এই সময়তেই দক্ষিণ ভাৰতৰ চোলাৰাজ্যৰ লগত এওঁলোকৰ যুজ হয়। ৫০ পঞ্চাশ বছৰ ধৰি চোলাৰাজ্যই ইন্দুনেচীয়া ৰাজ্যৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰে। ইন্দুনেচীয়া চোলা ৰাজ্যই এৰি অহাৰ পৰা প্ৰায় ৩০০ বছৰ স্বাধীন হৈ থাকে। ইতিমধ্যে জাভা আৰু শ্যাম দেশ শক্তিশালী হয়। চৈধ্যশ শতাব্দীৰ দ্বিতীয় ভাগত জাভাই সম্পূৰ্ণৰূপে শ্ৰীবিজয় বা শৈলেন্দ্ৰ ৰাজ্য দখল কৰে। জাভাবাসী সকল ব্ৰাহ্মণি ধৰ্ম্মৰ অনুগামী। শৈলেন্দ্ৰ ৰাজ্যই বৌদ্ধধৰ্ম্ম পালন কৰিছিল। ধৰ্ম্ম পন্থাৰ অমিলৰ কাৰণেই জাভাই শৈলেন্দ্ৰৰাজ্যৰ ৰাজনৈতিক গ্ৰাসৰপৰা ৰক্ষা পাবলৈ যত্ন কৰি আহিছে। জাভাৰ আধা অংশ শৈলেন্দ্ৰ ৰাজ্যৰ অধীনত আছিল।

জাভাবাসী শিল্পবিদ্যাত বৰ পাৰ্গত। তেওঁলোকে সাগৰে সাগৰে বেহা বেপাৰ কৰে। ডাঙৰ ডাঙৰ অট্টালিকাত শিলৰ গাঠনি দি বৰ ভাল পাইছিল। এই ৰাজ্যক সিংহেশ্বৰী ৰাজ্যও বুলিছিল।

১২৯২ চনত "মজাপাহীত" এখন নতুন চহৰ পাতে। ইয়াৰ পৰাই মজাপাহীত ৰাজ্য স্থাপন হয়। শ্ৰীবিজয়ে এই ৰাজ্য আৰু দক্ষিণ পূব এচিয়াত দখল কৰে। কুবলাই খাঁনে কেইজনমান চীনা যাত্ৰীক মজাপাহীলৈ পঠাইছিল। ইয়াতে এই চীনাযাত্ৰী কেইজনক অপমান কৰে। তাৰ ফলস্বৰূপে চীনাসৈন্যদলে কুবলাই খাঁক শাস্তি দিয়ে। জাভাবাসী সকলে চীনৰ পৰাই অনুমান বন্দুক বাৰুদৰ ব্যৱহাৰ শিকিলে। এনেভাবে শক্তিশালী হৈ শৈলেন্দ্ৰৰাজ্য দখল কৰে।

মজাপাহী সাম্ৰাজ্য বহুদূৰ ব্যাপি আছিল। মজাপাহী ৰাজ্যই

কৰকাতল লগোৱাত ; ব্যৱসায়, বাণিজ্য ও উপনিবেশ স্থাপন কৰাত বিশেষ চকু দিছিল। সেই কাৰণেই এই ৰাজ্য উন্নত হল !

মজাপাহী ৰাজ্যই চৰকাৰী বিভাগ নিয়োগ কৰি বেহা বেপাৰ বাণিজ্যত বিশেষ নজৰ দিলে। উপনিবেশ সুচাৰুৰূপে চলাবৰ কাৰণে সুকীয়া বিভাগ, জনস্বাস্থ্য আৰু যুদ্ধ বিগ্ৰহৰ কাৰণে সৈন্য সামন্তৰ আদি বিভাগ খুলিলে। সুবিচাৰৰ কাৰণে কেইবাজনো বিচাৰ-পতিকলৈ এখন উচ্চ বিচৰালয় স্থাপন কৰিলে। এনে শৃঙ্খলাভাবে এই ৰাজ্য কেনেকৈ গঢ়ি উঠিল ই সচাকৈয়েই বৰ আচৰিত কথা। ভাৰত আৰু চীনৰ লগত বাণিজ্যৰ আদান প্ৰদানেই হল মজাপাহীৰ ৰাজ্যৰ প্ৰধান কাম। ৰাণী "সুহীতা" এই ৰাজ্যৰ প্ৰধান ও সুবিখ্যাত শাসনকৰ্ত্তী। মজাপাহী আৰু শ্ৰীবিজয়ৰ মাজত বৰ নিষ্ঠুৰভাবে সংগ্ৰাম চলিল। এই সংগ্ৰামত শ্ৰীবিজয় জয়ী হল। এই জয়ে যুদ্ধৰ বীজানু মাৰিব নোৱাৰিলে। শৈলেন্দ্ৰ বংশৰ ধ্বংশৰ পৰাই মাল্লকা আৰু সুমাত্ৰাত আৰব মুছলমান সকলৰ মিত্ৰ শক্তি মূৰ দাঙ্গি উঠিল। দক্ষিণ ভাৰতে দখল কৰি থকা পূব সাগৰৰ ভাৰতীয় উপনিবেশবোৰ আৰবৰ দখললৈ গল। আৰব সকলে মাল্লকাক বেহা বেপাৰৰ কেন্দ্ৰ-স্থল পাতিলে। ইয়াৰ আশে পাশে থকা মালয় প্ৰণালী আৰু সাগৰৰ দ্বীপ সমূহত মুছলমান ধৰ্ম্ম বিয়পি পৰিল। ১৫০০ শতাব্দীত মজা-পাহীক মুছলমান শক্তিয়ে অতি নগন্য ৰাজ্যত পৰিণত কৰিলে।

১৫১১ চনত আল-বু-কুৱাকৰ তলত পৰ্ত্তুগীজ সৈন্য আহি মাল্লকা দখল কৰে নতুন সাগৰৰ শক্তিলৈ সুদূৰ ইউৰোপ দূৰ পূব প্ৰান্তত আহি উপস্থিত হল ভাৰতত প্ৰাচ্যৰ স্থায়ী উপনিবেশ স্থাপন কৰাৰ উদ্দেশ্যে।

দূৰ সুদূৰত ভাৰতৰ কৃষ্টিয়ে পেলোৱা প্ৰভাৱ

ভাৰতীয় আদৰ্শ, ভাষা সাহিত্য, কৃষ্টি, সভ্যতা, শিল্প বাণিজ্য আৰু শাসনৰ পদ্ধতি আমি আগতে উন্মুকীয়াই আহিছো। ভাৰত একে ঠাইতে থিয় হৈ থকা নায়। সাগৰ, মহাসাগৰ, পাহাৰ পৰ্ব্বতৰ পৰাও ফালৰি কাতি থকা নায়। ভাৰতৰ মানুহে দুৰাগম্য অতি উচ্চ পাহাৰো অতিক্ৰম কৰিছে। ভয়াবহ সাগৰ মহাসাগৰতো বেহা বেপাৰ বাণিজ্য লৈ ওপঙি ফুৰিছে। এনেভাবেই ভাৰতে মহাভাৰত তৈয়াৰ কৰে। ভাৰতীয় সভ্যতা ও শিল্পৰে মালয়চীয়ান্ ৰাজ্য জক্‌মকাই উঠিল।

"এম্ গ্ৰোচেটে" লিখিছে—"চীন, জাপান, ইন্দুনেচীয়া, মালয়, তিব্বেতৰ ওথ শূন্যোদানত, মঙ্গোলীয়া, ইৰাণৰ ওথ মালভূমিত, ইন্দোচীন, মনখেমেৰাট আৰু ছিৰিন্দ্ৰীয়াৰ ওৰেচিচত ভাৰতৰ উন্নত শিল্প, ধৰ্ম্ম, সাহিত্য আৰু সভ্যতাই মচিব নোৱাৰা মোহৰ মাৰি গৈছে।"

ভাৰতীয় সভ্যতা দক্ষিণ পূব এচিয়াৰ পৰাই উদ্ভব হৈছে। চম্পা, আঙ্কুৰা, শ্ৰীবিজয়, মজাপাহী আৰু অন্যান্য ঠাইত সংস্কৃত শিক্ষাৰ কেন্দ্ৰ স্থাপন হল। এই সকলো বিলাক ৰাজ্য শুদ্ধ ভাৰতীয় কৃষ্টি ও সংস্কৃতিৰে গঢ়া। উৎসব আদিও ভাৰতীয় নিদৰ্শনৰ। ভাষা সংস্কৃত। ৰাজ কৰ্ম্মচাৰী সকলে পূৰণি সংস্কৃতৰ উপাধি ধাৰণ কৰিছে। আজিলৈকে এই উপাধি চলিয়েই আছে। এই উপাধি থাইলেণ্ড আৰু মুছলমান ৰাজ্য মালয়াতো চলি আছে। ইন্দোনেচিয়াৰ পৌৰাণিক কাহিনী ভাৰতৰ পুৰণি সাধু কথাৰহে উপাখ্যান। জাভা আৰু বালী দ্বীপৰ নৃত্য শিল্প ভাৰতৰহে। সৰু বালী দ্বীপে আজিলৈকে হিন্দু ধৰ্ম্ম আৰু ভাৰতীয় শিল্প ৰক্ষা কৰি আছে।

লিখাৰ শিল্প প্ৰণালী ফিলিপাইনে ভাৰতৰ পৰাই পাইছে। কম্বদীয়াৰ ভাষাৰ আখৰ বিলাক দক্ষিণ ভাৰতৰ পৰা অনুকৰণ

কৰিছে। এই ভাষাত বহু সংস্কৃত শব্দ সাল সলনি কৰি ব্যৱহাৰ কৰিছে। সামাজিক আইন প্ৰণালী, দণ্ডনীয় আইন বিধি পৌৰাণিক ভাৰতীয়ৰ আইন ৰচোঁতা "মনুৰ" নিয়মত বন্ধা। বৰ্ত্তমানৰ কম্বুদ্বীয়াৰ আইন প্ৰণয়ণ বৌদ্ধধৰ্ম্মৰ প্ৰভাবানুযায়ী সালসলনি কৰা হৈছে।

বুৰুবুডুৰত বুদ্ধদেৱৰ সম্পূৰ্ণ জীৱনী শিলত লিখি ৰখা হৈছে। আন আন ঠাইত বিষ্ণু, ৰাম আৰু কৃষ্ণৰ পৌৰাণিক উপাখ্যান পোৱা গৈছে। অঙ্কুৰাৰ শিল কাৰুকাৰ্য্য মনোমোহা শিল্প ও কল্পনাই, মানুহৰ যে অসীম ক্ষমতা তাৰে পৰিচয় দিছে। এনে শিল্প চীন দেশত পোৱা নাযায়।

"ভাট মন্দিৰৰ" চাৰিওকাষে বিস্তৃত হৈ অঙ্কুৰাৰ ভগ্নাংশশেষ পৰি আছে। ইয়াৰ ওপৰত মানুহে এতিয়া হ্ৰদ, বিল, খাল, আৰু দলং সাজিছে। বিৰাট বিৰাট মুৰ্ত্তিৰে ধুনীয়া ধুনীয়া গেইট, বিৰাট বিৰাট লাও খোলাৰে মানুহৰ মুৰ্ত্তি, ভয় লগা কাল্পনিক হাঁহিৰে মানুহৰ মুৰ্ত্তি সাজি দৰ্শকক স্তম্ভিত কৰিছে। ইয়াকেই মানুহে "অঙ্কুৰাৰ হাঁহি" বোলে। এই গেইটেদি সোমাই গলেই মন্দিৰ পায়। কম্বুদ্বীয়া ৰজা ৭ম জয়বৰ্ম্মণে এই মুৰ্ত্তি সজাইছিল। জয়বৰ্ম্মণ নাম ভাৰতীয় নামানুযায়ী।

লাহে লাহে ভাৰতে নতুন আদৰ্শ নতুন প্ৰেৰণা হেৰুৱাই আহিল। মন আৰু বুদ্ধিৰ উৎকৰ্ষ সাধন আগৰ দৰে নোহোৱা হ'ল। উচ্চ আৰু মনৰ বিনিময়ত আনৰ লগত মিলন হোৱাত হেঙ্গাৰ পৰিল। উচ্চ আদৰ্শ আৰু উচ্চ মনৰ চিন্তা ধাৰাত যেতিয়া ভাৰতবাসী আছিল তেতিয়া নিজে নজনা পিচ পৰা বিষয় বস্তু আনৰ পৰা গ্ৰহণ কৰি নিতৌ নতুন প্ৰেৰণাৰে আগুৱাই আহিছিল। কিন্তু যিমানেই আনৰ পৰা আতৰি ৰ'ল সিমানেই নিজৰ প্ৰভাৱ ও দক্ষতা হেৰুৱাই পেলালে। শেষত ভাৰতে নিজকে নিজেই বুজিব ও চিনিব নোৱাৰা হল।

ইউৰোপৰ ফ্ৰান্স আৰু ডাটচ্ ভূ-তত্ত্বজ্ঞ্য পণ্ডিত সকলৰ অশেষ চেষ্টাৰ ফলত জাভা, অঙ্কুৰা আৰু অন্যান্য ঠাইত অতীত ভাৰতসাম্ৰাজ্যৰ পৌৰাণিক ধ্বংশৰ ভগ্নাংশ শেষ খান্দি ওলিওৱা হয়। ডাঙৰ ডাঙৰ নগৰ চহৰ, প্ৰকাণ্ড অট্টালিকাৰ ধ্বংশাৱশেষ এতিয়াও মাটিৰ তলত

জাহ গৈ আছে। নতুন ৰাস্তা তৈয়াৰ কৰোতে মালয়ত বহু পৌৰাণিক শিল্প নষ্ট কৰা হৈছে।

বিশ্বকবি ৰবিন্দ্ৰনাথ ঠাকুৰ শান্তিনিকেতনলৈ অহা এজন বিদেশৰ ছাত্ৰক মই লগ পাইছিলো কেইবছৰমানৰ আগতে। তেওঁ লিখিছে "মোৰ আজু আইৰ মহান পবিত্ৰ ঠাই আৰ্য্যবৰ্ত্তলৈ আহিবলৈ সুযোগ পাই নিজকে নিজে সৌভাগ্যবান বুলি বিবেচনা কৰিছো। মোৰ আই এই আজু আইৰ দ্বাৰাই লালিত পালিত। কৃষ্টি ধৰ্ম্ম শিল্প সভ্যতাৰে আজু আইৰ মৰমৰ বাহু বন্ধনত মোৰ আই গঢ়ি উঠিছে।

ভাৰতে পাৰস্যৰ পৰা চীনা সাগৰলৈকে বৰঙ্কে ঢকা চাইবেৰীয়া খণ্ডৰ পৰা জাভা বৰ্ণিও আৰু ওচেনীয়াৰ পৰা চক্ৰালৈকে নিজৰ শিল্প সভ্যতা ও ধৰ্ম্মৰ বিশ্বাস আদি পৌৰাণিক সাধু কথাৰ জন্ম দিছে। ভাৰতে যে মানবজাতিৰ সকলো ৰাষ্ট্ৰ সমূহৰ ভিতৰতেই উচ্চ স্থান লাভ কৰিছে তাক কোনেও নুই কৰিব নোৱাৰে।

অতীত ভাৰতৰ কৃষ্টি সভ্যতা আৰু সংস্কৃতি আন দেশত পৰি নিখুত ভাবে গঢ় লয়। দুৰ্ভাগ্যক্ৰমে উত্তৰ ভাৰতৰ বহু স্মৃতি আৰু ভাস্কৰ বিদ্যা সময়ৰ সোঁতে উটাই নিলে। ভাৰতৰ শিল্প আংশিকৰূপেহে ভাৰতত পোৱা যায়। সম্পূৰ্ণ জানিবলৈ হলে বৌদ্ধধৰ্ম্ম বিস্তাৰিত হোৱা টাই, মধ্য এচিয়া, চীন, জাপান, তিব্বত, ব্ৰহ্মদেশ, শ্যামদেশ, কম্বুবীয়া, জাভা আদিলৈ যাব লাগিব।

ভাৰতীয় শিল্প আৰু সভ্যতাত ভাৰতীয় ধৰ্ম্ম আৰু দৰ্শন গভীৰভাবে নিহিত আছে। সঙ্গীত আৰু সংস্কৃতিত পূবৰ মানুহৰ লগত পশ্চিমীয়া মানুহৰ অমিল আছে। আগৰ পশ্চিমীয়া শিল্পীয়ে পূবৰ শিল্পীক কলা বিদ্যাত উচ্চ স্থান দিছিল। প্ৰাকৃতিক সৌন্দৰ্য্যই ভাৰতীয় কলাৰো মানদণ্ড আছিল। গ্ৰীকৰ মানুহেও প্ৰাকৃতিক সৌন্দৰ্য্যক ভাল পাইছিল। প্ৰাকৃতিক সৌন্দৰ্য্যই আনন্দ আৰু সত্য নিৰূপণ কৰিছিল। ভাৰতীয় সকলে প্ৰাকৃতিক সৌন্দৰ্য্যৰ মাজেদিয়েই সৃষ্টিৰ গভীৰতম্ তত্ত্ব বিচাৰিছিল।

ইউৰোপৰ শিল্পীসকলক গ্ৰীকৰ পৌৰাণিক দস্তুৰ মতে শিক্ষা দিছিল। ভাৰতীয় শিল্পক এওঁলোকে গ্ৰীক্‌ৰ শিল্পৰ লগত মিলাই চাইছিল। ইউৰোপ মহাদেশৰ ধাৰণা যে গ্ৰীক সকলৰ শিল্প আৰু ভাৰতীয় শিল্পৰ একে মিল।

ইংৰাজী লিখক Mr. Oswarth Chitwellএ তেওঁৰ এচ্‌কেইপ উইথ মি (Escape with Me) গ্ৰন্থ খনিত ভাৰতৰ কলাকৃষ্টি আৰু শিল্প বিস্তাৰ বিষয়ে লিখিছে। ইংৰাজী লিখক সকলৰ ভিতৰত "লৰেঞ্চ," বনীয়ান আৰু ই বি, হাভেলে ভাৰতীয় কলা কৃষ্টিক উচ্চ স্থান দিছে। ভাৰতীয় কলা কৃষ্টি শিল্পত হাভেল মুগ্ধ। তেওঁৰ মতে কোনো জাতিৰ শিল্প কলাই হে জাতিৰ অন্তৰৰ মূল চিন্তাধাৰাক ফুটাই তোলে। ভাৰতীয় শিল্প আৰু কলা কৃষ্টি সৰ্ব্বসাধাৰণে বুজিব পৰাকৈ ধৰ্ম্ম আৰু দৰ্শনৰ ভিত্তিত গঢ়া। সেই কাৰণেই হিন্দু ধৰ্ম্মৰ শিল্প আৰু কলা কৃষ্টিয়ে সম্পূৰ্ণতা লাভ কৰিছে।

পশ্চিমীয়া বহুলোকে ভাৰতীয় খেতিয়ক সকলক অশিক্ষিত বুলি ভাবে। যদিও এওঁলোক অশিক্ষিত তথাপি এওঁলোকৰ অন্তৰৰ ভাবভঙ্গী পৃথিবীৰ আন ঠাইৰ অশিক্ষিত লোকতকৈ বহু উচ্চ খাপৰ।

সংস্কৃত কবিতাৰ ছন্দই ভাৰতীয় সঙ্গীত আৰু সংস্কৃতিয়ে শিল্পীক প্ৰকৃতিৰ সকলো অৱস্থাৰ লগতেই মিলাই দিছে। সঙ্গীত আৰু কলা কৃষ্টিয়ে মানুহক প্ৰকৃতি আৰু বিশ্বব্ৰহ্মাণ্ডৰ লগত একে সুৰতে প্ৰকাশ কৰে। এচিয়া মহাদেশৰ শিল্পী সকলৰ ইয়েই মূলমন্ত্ৰ।

ভাৰতীয় সঙ্গীত ইউৰোপীয় সঙ্গীততকৈ বহু পৃথক। ভাৰতীয় সঙ্গীতে বহু উৎকৰ্ষ সাধন কৰিছে। চীন আৰু সুদূৰ পূবৰ ওপৰত ইয়াৰ প্ৰভাব পৰা নায়। পাৰস্য আফ্‌গানিস্থান আৰব, তুৰ্কীস্থান উত্তৰ আফ্ৰিকা আদিত ভাৰতীয় সঙ্গীতৰ প্ৰভাব পৰিছে। ভাৰতীয় আদি কলা আৰু শিল্প প্ৰাকৃতিক প্ৰভাৱ অনুযায়ী চীনৰ পৰা পোৱা। গুপ্তৰাজ্যৰ দিনত ৪ৰ্থ শতাব্দীৰ পৰা ৬ষ্ঠ শতাব্দীলৈকে ভাৰতক "সোণালী যুগ" বুলিছিল। এই যুগতেই অজন্তা গুহাৰ কেচামাটিত

সজা পকীঘৰৰ নক্সা খান্দি উলিওৱা হয়। বাঘ আৰু বাদামীও এই সময়ৰে। অজন্তা কলাই আমাৰ বৰ্ত্তমানৰ শিল্পী সকলৰ ওপৰত বঢ়িয়াকৈ প্ৰভাব পেলাইছে।

অজন্তাৰ কলাই শিল্পীক সপোনৰ ৰাজ্যলৈ লৈ গৈছে। কেঁচা মাটিৰ পকীঘৰৰ নক্সা বৌদ্ধ সন্ন্যাসী সকলে সজা। ৰমণীৰ পৰা এই বৌদ্ধ সন্ন্যাসী সকল বহু দূৰত আছিল। ৰমণীক এওঁলোকে ভীষণ ভয় কৰিছিল। ৰমণীক ভীষণ অন্যায়কাৰী বুলি ভাবিছিল। বহুদিনৰ আগেয়ে শিক্ষাগুৰু সকলে এওঁলোকক এই কথা কৈ গৈছে। বৰ্ত্তমান আমি আমাৰ মাজত ধুনীয়া ধুনীয়া ৰূপহী গাভৰু, গায়িকা, নৰ্ত্তকী ৰাজকুঁৱৰী আদি লৈ শোভাযাত্ৰা কৰি আনন্দত মতলীয়া। অজন্তাৰ মাইকী মানুহ বিখ্যাত আছিল। মূৰ্ত্তি পূজাৰ বিৰুদ্ধে "বেদ" থিয় দিছিল। বৌদ্ধ ধৰ্ম্মৰ বহু বছৰৰ পাচতহে বুদ্ধদেৱৰ মূৰ্ত্তিত ভাস্কৰ শিল্পৰে ৰং চৰোৱা হয়। মথুৰাৰ মিউজিয়মত এটা প্ৰকাণ্ড শিলত পৰাক্ৰমী "বুদ্ধিশ্বতুৰাৰ" সম্পূৰ্ণ মূৰ্ত্তি সজা আছে। এই মূৰ্ত্তি কুশান ৰজা সকলৰ দিনৰ প্ৰায় খৃষ্টীয় শকৰ আৰম্ভনিৰ।

৭০০ শতাব্দীৰ পৰা ৮০০ শতাব্দীত বৃহৎ ইলোৰা গুহা খান্দি উলিওৱা হয়। এই গুহা শুদ্ধ পাথৰৰ। ভয়ঙ্কৰ কৈলাশ মন্দিৰ এই শুদ্ধ পাথৰৰ মাজত অৱস্থিত। এই মূৰ্ত্তি মানুহে কেনেকৈ কল্পনা কৰি গঢ়িলে জনাটো বৰ দুসাধ্য।

কৌশলেৰে কটা "এলিফেণ্টা গুহাৰ" "ত্ৰিমূৰ্ত্তি" সেই একে সময়ৰে। দক্ষিণ ভাৰতৰ "মামলাপুৰমৰ" স্মৃতিলিপিও সেই একে সময়ৰে।

"এলিফেণ্টা গুহাত" "নটৰাজ" শিৱৰ মূৰ্ত্তি নৃত্য অৱস্থাত ভগ্নপ্ৰাপ্ত হৈ আছে। হাভেলৰ মতে শক্তিশালী মগজেহে এনে অনুভূতিৰ চিনাকী দিয়ে। প্ৰকাণ্ড শিলডোখৰ নৃত্য ছন্দৰ লহৰত লৰি থকা যেন দেখা যায়। মুখ মণ্ডলৰ বৃহৎ মূৰ্ত্তিৰ গাম্ভীৰ্য্যতা প্ৰকাশ কৰিছে। শান্ত প্ৰকৃতিৰ সেই মুখমণ্ডলে বুদ্ধদেৱৰ মুখমণ্ডলকে প্ৰকাশ কৰে।

বৃটিশ মিউজিয়মত আন এটা শিব নটৰাজ্যৰ মূৰ্ত্তি আছে। ইপ্-ষ্টেইনে লিখিছে "শিবৰ নৃত্যই পৃথিবী সৃজন কৰিছে ও সংহাৰো কৰিছে। এওঁৰ বিশাল সুৰৰ ছন্দৰ লহৰে মহাকালক গ্ৰাস কৰিছে। শিৱৰ বিৰামহীন অনুগমনেই বিশাল সৃষ্টিৰ শক্তিশালী যাদুমন্ত্ৰ"। শিবৰ নৃত্য প্ৰলয়ৰ নাচোন বুলিহে এদল লিখকে কয়।

জাভা দ্বীপৰ বুৰুবুডুৰ পৰা কুপেনহেগেনৰ গ্লীপটোকলৈ বুদ্ধ শ্বতুৰাৰ এটা মূৰ্ত্তি নিয়া হৈছে। দেখাত এই মূৰ্ত্তি বৰ সুন্দৰ। হাভেলে মন্তব্য কৰে যে নিৰ্ম্মল পানীৰ নিচিনাকৈ এই মুখ মণ্ডলত বুদ্ধশ্বতুৰাৰ পৱিত্ৰ আত্মাই অন্তৰৰ গভীৰ অনুভূতি প্ৰকাশ কৰিছে। এই মুখ মণ্ডলেই বিশ্বব্ৰহ্মাণ্ডৰ মহান সৃষ্টিৰ গভীৰতাক নিৰ্ণয় কৰে। সুনীল আকাশত মহা নিস্তব্ধতাই মেঘমুক্ত হৈ মানুহৰ দৃষ্টি গোচৰৰ পৰা বহু দূৰৈত থাকি আনন্দত মগ্ন।

জাভাত ভাৰতীয় শিল্প বিদ্যাই ভাৰতত‌কৈ বেলেগ ৰূপ ধাৰণ কৰিছে। ইণ্ডজাভানীজৰ শিল্প বিদ্যাত মানুহৰ তৃপ্তি আৰু আনন্দৰ প্ৰকাশ পাইছে। যুদ্ধ বিগ্ৰহৰ ঘাট-প্ৰতিঘাটৰ পৰা যেন এৰাই-শান্তি পাইছে।

বিদেশত ভাৰতৰ বানিজ্য

খৃষ্টীয়ান শকৰ প্ৰথম ১০০ বছৰত ভাৰতৰ বানিজ্য বহুদূৰ বিয়পি পৰিল। ভাৰতৰ বণিকে বিদেশৰ বজাৰ হস্তগত কৰে। ভাৰতৰ বানিজ্যই পূব সাগৰ দখল কৰি ভূমধ্য সাগৰলৈকে প্ৰসাৰিত হয়। জলকীয়া বা মছলা ভাৰতৰ পৰা পশ্চিমলৈ গল। কথিত আছে "এলাৰিক গোঠে" তিনি হাজাৰ পাউণ্ড জলকীয়া ভাৰতৰ পৰা ৰোমলৈ নিয়ে। ৰোমান লিখক সকলে দুখেৰে বিলাপ কৰি কয় ৰোমৰ সোনৰ নদী ভাৰত আৰু পূবলৈ বৈ গল। জলকীয়া ও মা মছলাৰ বিনিময়ত ৰোমৰ-পৰা ভাৰতে বিলাসিতাৰ বস্তু আৰু সুখাদ্য পালে।

ভাৰতৰ মাটি সাৰুৱা। ইয়াত বহু বস্তু উৎপন্ন হৈছিল। সাগৰৰ পথ বানিজ্যৰ কাৰণে মুকলি হল। ভাৰতে কাপোৰ উৎপাদন কৰিছিল। চিল্কৰ কাপোৰো ভাৰতে তৈয়াৰ কৰিছিল কিন্তু চীন দেশতকৈ পাচত। খৃঃ পূঃ ৪ৰ্থ শতাব্দীৰ পৰাই এই ব্যৱসায় চলি আহিছে। কপোৰত ৰং কৰা শিল্প বিদ্যাও ভাৰতে শিকিছিল। নীলা ৰং ভাৰতে গ্ৰীচ-দেশৰ পৰা আহৰণ কৰে। খৃষ্টীয় শকৰ আগভাগৰ পৰাই ৰসায়ণ বিদ্যাত ভাৰত বহু উন্নত আছিল। নাগাৰ্জ্জুনেই আছিল ভাৰতৰ বিখ্যাত ৰসায়নিক ও ধাতু নিৰ্ম্মানকাৰী। লোহা গলোৱা নিয়ম ভাৰতে বহু আগতেই জানিছে। ভাৰতৰ লোহাৰ মূল্য বিদেশত যথেষ্ট আছিল। যুদ্ধৰ কামত লোহাৰ বিশেষকৈ ব্যৱহাৰ হৈছিল। আন আন ধাতুৰ ব্যৱহাৰ জানিছিল আৰু ঔষধৰ লগতো মিহলাইছিল। মদো তৈয়াৰ কৰিছিল। লোহা ভপতাই গুৰি কৰা কামো ভাৰতে জানিছিল। ঔষধ আৰু চিকিৎসাৰ বিজ্ঞানে ভাৰতত ভালকৈ উন্নতি সাধন কৰে। মৰা শ কতা চিন্তা, শৰীৰৰ জ্ঞান আৰু তেজঃক্ৰিয়া বিদ্যা ভাৰতে শিকিছিল। জ্যোতিষ শাস্ত্ৰ, গ্ৰহ নক্ষত্ৰৰ বিষয় অধ্যয়ন ভাৰতৰ বিশ্ববিদ্যালয়ৰ পাঠ্য আছিল। ভাৰতে নিভুৰ্ল ভাবে পঞ্জিকাও তৈয়াৰ কৰিছিল। চন্দ্ৰৰ গতিও নিৰ্ণয় কৰিছিল। ব্ৰাহ্মণ আৰু যজমান পুৰুহিতসকলে এই পঞ্জিকা অনুযায়ী সময় উপযোগী উৎসব আদিও ঠাৱৰ কৰিছিল। ইয়াৰ সহায়তেই চন্দ্ৰ আৰু সূৰ্য্য গ্ৰহণৰ সঠিক দিন ও সময় নিৰ্ণয় কৰিছিল।

ব্ৰাহ্মণ পুৰুহিতসকলে এনেদৰে সৰ্ব্বসাধাৰণৰ মন আকৰ্ষণ কৰি কিছুমান অন্ধ বিশ্বাসৰে মানুহক জব্দ কৰি নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ সুযোগ ললে।

সাগৰত যাওতে গ্ৰহনক্ষত্ৰই মানুহৰ বহু উপকাৰ সাধিছিল অতীত ভাৰতৰ লোক সকলে এই গ্ৰহনক্ষত্ৰৰ জ্ঞানত নিশ্চয় গৌৰব অনুভৱ কৰিব পাৰে। আৰৱ দেশৰ নক্ষত্ৰ শাস্ত্ৰৰ জ্ঞানতো এওঁলোকে সম্বন্ধ ৰাখিছিল।

সেই সময়ত যন্ত্ৰ মেৰামতিৰ কামত ভাৰত কিমান দূৰ অগ্ৰসৰ হৈছিল বুজা টান। সাগৰত চলাচল কৰা জাহাজৰ যে কাৰখানা আছিল তাত কোনো সন্দেহ নায়। এইটো সঠিক ভাৱে বুজিব পাৰি যে ভাৰত ৰসায়ন আৰু ধাতুৰ শিল্প জ্ঞানত আন কোনো দেশতকৈ পিচ পৰা নাছিল। সেই-কাৰণে ভাৰতে শতাব্দী জুৰি দূৰ সুদূৰৰ বেহা বেপাৰ দখল কৰিছিল।

মৌলিক চিন্তা আৰু উচ্চ মেধাশক্তিৰে ভাৰতীয় গণিত শাস্ত্ৰজ্ঞক কোনেও চেৰ পেলাব পৰা নায়। প্ৰথমে ইউৰোপে আৰবৰ পৰা বীজগণিত আৰু অঙ্ক লাভ কৰে। আৰবেও পহিলাতে এই জ্ঞান লাভ কৰে ভাৰতৰ পৰা। বাগদাদে পশ্চিমীয়া দেশ সমূহলৈ এই জ্ঞান বিস্তাৰিত কৰে। শূন্য ধৰি দহলৈকে গননা কৰাৰ প্ৰণালী ভাৰতেই আবিস্কাৰ কৰে। সংখ্যা গননাত এই প্ৰণালীয়ে সকলোকে ব্যাপি আছে।

১৫০ বছৰৰ আগেয়ে নেপোলিয়ন বুনাপাটিৰ সময়ত "লা প্লেচে" লিখিছিল, "ভাৰতেহে আমাক দহলৈকে গননা কৰাৰ কলকৌশল শিকালে। প্ৰত্যেক সংখ্যাৰেই এটা মূল্য আছে। এই আবিস্কাৰ সচাকৈয়েই এক মহৎ আবিস্কাৰ।

জ্যোতিৰি গননা, গণিত আৰু বীজগণিত ভাৰতত বহু দিনৰ আগতেই আবিস্কাৰ হয়। বৈদিক মন্ত্ৰত কিছুমান জ্যেমিত্ৰিৰ ৰেখা আঁকা হৈছিল। হিন্দুসকলৰ উৎসৱ আদিত জ্যোমিত্ৰিৰ কিছুমান চিত্ৰ আঁকা হয়। গ্ৰীক্ আৰু এলেক্জেন্দ্ৰিয়াই জ্যোমিত্ৰিত ভাৰতত অগ্ৰস্থান অধিকাৰ কৰিছিল। ভাৰতে বীজগণিত আৰু অঙ্কত সকলোৰে অগ্ৰাধিকাৰ লাভ কৰিছিল।

দশমিকৰ স্থান আৰু শূন্যৰ স্থান কোনে উলিয়ালে এই কথা জনা নাযায়। ২০০ খৃঃ পূৰ্ব্বত শূন্যৰ আবিস্কাৰ হয় বুলি অনুমান কৰে। খৃষ্টীয়ান শকৰ আৰম্ভনিৰ লগে লগে দশমিকৰ স্থান আবিস্কাৰ হয়।

"শূন্য" বা "একো নাই" ই আগতে এটা বিন্দু আছিল। তাৰ পাচত ঘূৰনীয়া চাৰ্কোলৰ নিচিনা হৈ শূন্য হয়।

"ডেনজীগে" তেওঁৰ গণনা শাস্ত্ৰত লিখিছে "পাঁচ হাজাৰ বছৰত বহু সভ্যতাৰ উত্থান পতন হল। প্ৰত্যেক সভ্যতাই নিজ নিজ কৃষ্টি সভ্যতা, সাহিত্য, শিল্প, দৰ্শন আৰু ধৰ্ম্ম এৰি গৈছে। গণনা বিষয়ত এই সভ্যতাই কি উপায় উদ্ভাবন কৰি গল তাৰ উত্তৰ তেওঁ বিচাৰি পোৱা নায়। গ্ৰীচ গণিতজ্ঞৰ বিজ্ঞানেও এই বিষয়ে একো উল্লেখ কৰা নায়।

অতীতৰ সংস্কৃত কিতাপত গণনাৰ বিষয়ে উল্লেখ আছে। বীজ গণিতৰ বিষয়ে বিখ্যাত জ্যোতিষি "আৰ্য্যভট্টই" লিখিছিল। আৰ্য্যভট্টৰ জন্ম হয় ৪৭৬ খৃঃ ত। তেওঁৰ বয়স তেতিয়া ২৩ বছৰ। সেই সময়তে তেওঁ অঙ্ক আৰু জ্যোতিষি শাস্ত্ৰৰ বিষয়ে লিখে।

ভাৰতৰ দ্বিতীয় জন বিখ্যাত লিখক হল ভাস্কৰ। এওঁৰ জন্ম ৫২২ খৃঃ ত। এওঁৰ-পাচত ব্ৰহ্মগুপ্তই ৬২৮ খৃঃ ত জ্যোতিষি শাস্ত্ৰ আৰু অঙ্ক শাস্ত্ৰৰ বিষয়ে লিখে। শূন্যৰ বিষয়েও এওঁ উল্লেখ কৰিছে। ইয়াৰ পাচত ক্ৰমান্বয়ে দ্বিতীয় ভাস্কৰে ১১৪ খৃঃ ত জ্যোতিষি শাস্ত্ৰ, বীজ গণিত আৰু গণিতৰ বিষয়ে লিখে। এওঁৰ কিতাপ খনৰ নাম "লীলাৱতী"। লীলাৱতীয়ে এই সকলো বিলাক বৰ্ণনা কৰিছে। কিতাপ খনক এজনী গভাৰু ছোৱালী বুলি লীলাৱতী নাম দিছে। লীলাৱতী দ্বিতীয় ভাস্কৰৰ জীয়েক। সৰু সৰু লৰা ছোৱালীয়ে সহজে বুজিব পৰাকৈ এই কিতাপখন লিখিছে।

অষ্টাদশ শতিকাত খলিফা আলমন্সুৰৰ ৰাজত্ব কালত (৭৫৩-৭৭৪) খৃঃ লৈ কিছুমান ভাৰতীয় পণ্ডিত বাগদাদলৈ গৈছিল। তেওঁলোকে লগত গণিত আৰু জ্যোতিষিৰ শাস্ত্ৰ নিয়াৰ উপৰিও আন আন কিতাপ লগত নিছিল। ইয়াৰ উপৰিও আৰ্য্যভট্টই "আৰবিকলৈ" অনুবাদ কৰা কিতাপো আৰব পাইছিল গৈ। আৰবীয় সমাজত এই ভাৰতীয় জ্যোতিষি শাস্ত্ৰ আৰু গণিতশাস্ত্ৰই বিশেষ প্ৰভাৱ পেলায়।

সেইসময়ত বাগদাদেই আৰবৰ শিক্ষাৰ কেন্দ্ৰস্থল। গ্ৰীক দেশৰ পণ্ডিতে গ্ৰীচৰ বিজ্ঞান দৰ্শন আৰু জ্যোমিত্ৰি আনি ইয়াতেই লগ লাগিছিল।

বাগদাদৰ শিক্ষা মধ্য এচিয়া ব্যাপি স্পেইনলৈকে গোটেই মুছলমান জগতত বিয়পে। আৰবৰ পৰাই গনিত শাস্ত্ৰ ইউৰোপলৈ বাগৰি যায়। স্পেইনৰ মুৰীচ্চ বিশ্ববিদ্যালয়েই ইউৰোপৰ গনিত শাস্ত্ৰৰ লাইখুটা। চিচিলিত ১১৩৪ চনত মুদ্ৰা উলিয়ায়। ইংলণ্ডত ১৪৯০ চনত। ইয়াৰ পৰাই অনুমাণ কৰিব পাৰি যে ভাৰতৰ জ্যোতিষি শাস্ত্ৰ আৰু গণিতশাস্ত্ৰ বাগদাদলৈ বিয়পি পৰাৰ আগেয়ে পশ্চিম এচিয়া প্ৰবেশ কৰিছিল।

ইউক্ৰেটীচ নদীৰ পাৰত উদাসীন আশ্ৰমত বসতি কৰা চাইৰীয়ান পণ্ডিত "চিভিৰাচ চেবুখতে ৬৬২ খ্ৰঃত লিখিছে ঃ—"চাইৰীয়ান সকল গ্ৰীক সকলতকৈ কোনো গুনে হেয় নহয়। হিন্দু সকলৰ কথা উল্লেখ নকৰো। এওঁলোক চাইৰীয়ান সকলৰ একে শাৰীৰ নহয়। ভাৰতীয় সকল চতুৰ। এওঁলোকৰ জ্যেতিষি বিজ্ঞানৰ আৱিস্কাৰে গ্ৰীক আৰু বেবীলনৰ সকলোকে চেৰ পোলালে।" শ্ৰীনিবাস ৰামানুজৰ অলপতে প্ৰকাশিত গণিত শাস্ত্ৰ ভাৰতৰ এটা অপূৰ্ব্ব সংকলন। ৰামানুজ দক্ষিণাত্যৰ' এটা দুখীয়া ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহন কৰি শিক্ষা লাভৰ সকলো সুযোগৰ পৰা বঞ্চিত হৈ মাদ্ৰাজৰ পোৰ্টট্ৰাষ্টত কেৰাণিৰ কাম কৰে। আজৰি সময়ত সংখ্যাৰ ছন্দেৰে অসাধাৰন বুদ্ধিৰ বলত এওঁ "জলতৰঙ্গ" শিকিছিল। এওঁৰ চউখিন প্ৰণালীৰ জলতৰঙ্গই এজন গণিতজ্ঞৰ মন আকৰ্ষণ কৰে। সেই গনিতজ্ঞই চউখিন সুৰৰ জলতৰঙ্গৰ "নট" গবেষনাৰ কাৰণে ইংলণ্ডৰ কেমব্ৰীজলৈ পথায়। সেই সুৰৰ তৰঙ্গই ইংলণ্ডৰ মানুহৰ মন আকৰ্ষণ কৰাত তেওঁক এটা বৃত্তি দি কেমব্ৰীজ বিশ্ববিদ্যালয়লৈ যায়। কেমব্ৰীজত তেওঁ অসাধাৰণ কৃত্তিত্বেৰে সকলোৰে সমাদৰ লভে। ইংলণ্ডৰ ৰাজ পৰিয়ালে এওঁক ইংলণ্ডৰ সকলো মৰ্য্যাদা

দান কৰি "ফেল" উপাধিৰে বিভূষিত কৰে। প্ৰফেচাৰ জুলিয়ান হাক্সলীয়ে তেওঁক সেই সময়ৰ সুবিখ্যাত গণিতজ্ঞ বুলি অভিহিত কৰে। ৩৩ বছৰ বয়সত যক্ষ্মা ৰোগত ইংলণ্ডতে তেওঁ মৃত্যুৰ মুখত পৰে। ইংলণ্ডত তেওঁ ২ বছৰ আছিল।

ৰামানুজৰ সংক্ষিপ্ত জীৱন কাহিনী আৰু মৃত্যু কাহিনী ভাৰতীয় ভাবধাৰাৰ এটি জ্বলন্ত উদাহৰণ। ভাৰতীয় সকলৰ জীৱন আৰ্থিক দুৰাৱস্থাৰে পৰিপূৰ্ণ। আৰ্থিক দুৰাৱস্থাৰ কৰাল গ্ৰাসত পৰি-শিক্ষা সাং নৌ হওতেই কেৰাণীৰ কাম বিচাৰি হাবাথুৰি খায়। এনে লক্ষ্য লক্ষ্য ভাৰতীয় ছাত্ৰৰ কোনোজনে যদি এনে ভাবে সুবিধা পায় নিশ্চয় এওঁলোকৰ মাজৰ পৰা সুবিখ্যাত বৈজ্ঞানিক, কাৰিকৰ, শিক্ষাবিদ, শিল্পী, ব্যৱসায়ী ওলাই পৰিব।

ঠন ধৰি মৰহি শুকাই গল

খৃষ্টীয়ান শকৰ প্ৰথম হাজাৰ শকাব্দীৰ কালচোৱাত ভাৰতৰ বহুত উত্থন পতন হয়। শত্ৰু পক্ষই দেশ আক্ৰমণ কৰে। তেওঁলোকৰ লগত যুদ্ধ বিগ্ৰহ হয়। ভাৰতত অভ্যন্তৰিন বেমেজালিয়ে দেখা দিলে। ইয়াৰ মাজতেই জাতীয়তাবাদৰ তুমুল সংগ্ৰামৰ বুৰবুৰনিয়ে উহ উলিয়াই ভাৰতভূমি, চউদিশ বিৰিঙাই তুলিলে। ভাৰতীয় সভ্যতা, ভাৰতীয় দৰ্শন, সাহিত্য, শিল্প, বিজ্ঞান, গণিত আৰু জ্যোতিষ শাস্ত্ৰৰ প্ৰভাবেৰে ভাৰত জকমকাই উঠিল। ভাৰতৰ বেহা বেপাৰ দূৰ দিগন্ত প্ৰসাৰি ইৰাণ, চীন, মধ্য এচীয়া আৰু পূৰ সাগৰৰ অন্তহীন দিগন্তলৈকে বিয়পি পৰিল। ভাৰতীয় সভ্যতা শিল্প সৃষ্টি সকলো ভাৰতৰ বাহিৰ হৈ ভাৰতীয় উপনিবেশ সমূহলৈ গল। ৪ৰ্থ আৰু ৬ষ্ঠ শতাব্দীলৈ গুপ্ত সাম্ৰাজ্যই অসাধাৰণ শিল্পবিদ্যা আৰু মেধা শক্তিৰে পৃথিবীক

চমক্ লগালে। এই যুগক ভাৰতৰ "সোনৰ যুগ" বোলে। সংস্কৃত সাহিত্য দূৰ দ্বিগন্ত প্রসাৰি সকলোতে উচ্চ স্থান লাভ কৰে।

এই "সোনৰ যুগ" লাহে লাহে ক্ষীন হৈ গল আৰু ভাৰতৰ উত্তৰ পশ্চিম কোনত "বগাহুন" বিলাকে ভূমুকি মাৰি অবিৰাম ভাবে আক্রমন চলাই থাকিল। লাহে লাহে এই বগাহুনে আক্রমন কৰি কৰি উত্তৰ ভাৰত বিয়পি পৰিল। অৰ্দ্ধ শতাব্দী ধৰি "বগাহুন" বিলাকে উত্তৰ ভাৰত শাসন কৰে। সকলোতকৈ শেহৰ গুপ্তবংশৰ ৰজাই যশোবৰ্ম্মনৰ সৈন্যৰ লগলাগি "বগাহুন" বিলাকক ভাৰতৰ পৰা বহিস্কাৰ কৰে।

যশোবৰ্ম্মন মধ্যভাৰতৰ এজন শাসন কৰ্ত্তা। বহু বছৰ ধৰি হুন বিলাকৰ লগত যুজি যুজি ভাগৰুৱা হল। হুন-বিলাকো লাহে লাহে উত্তৰ ভাৰত বিয়পি পৰিল। এওঁলোকৰ ভিতৰতো মনাসিক পৰিবৰ্ত্তন ঘটিল। ভাৰতীয় সকলৰ লগত হুন-বিলাক মিলি যোৱাত নীতি নিয়মবো সাল সলনি হল। হুন বিলাকৰ নীতি নিয়ম আচাৰ ব্যৱহাৰ অত্যন্ত নিৰ্ম্মম আৰু জঘন্য আছিল।

৭ম শতাব্দীত হৰ্ষবৰ্দ্ধনৰ শাসনৰ কালচোৱাত ভাৰতৰ ৰাজনৈতিক আৰু সভ্যতাৰ পুনৰ জাগৰণ হয়। শক্তিশালী গুপ্তৰাজ্যৰ ৰাজধানী আছিল উজ্জয়িনী। এই উজ্জয়িনী ভাৰতৰ শিল্প আৰু সভ্যতাৰ আছিল নামজ্বলা কেন্দ্র। লাহে লাহে এই কেন্দ্ৰ সময়ৰ মেৰপাকত মৰহি শুকাই গল।

৯ম শতাব্দীত গুজৰাটৰ "মিহিৰভোজে" উত্তৰ আৰু মধ্য ভাৰতৰ ৰাজ্য বিলাক লগলগই শক্তিশালী এখন ৰাজ্য গঠন কৰে। ৰাজধানী পাতে কনৌজত। "ৰাজচেখৰৰ" দিনত ইয়াত আকৌ সাহিত্যৰ পুনৰ উত্থান হল। ১১ শতাব্দীৰ আৰম্ভনিতে বিখ্যাত "ভোজৰাজে" উজ্জয়িনীক সাহিত্য শিল্প আৰু কলাৰ মনোমোহা কেন্দ্র কৰে। এওঁ ব্যাকৰণৰ সুবিখ্যাত পণ্ডিত আছিল।

উজ্জ্বল দ্বিপ্তীমন্ত তাৰকাৰে ভাৰতাকাশ যদিও উদ্ভাষিত হৈ

আছিল তথাপি কিছুমান ভিতৰুৱা বেমেজালিয়ে ভাৰতক ভিতৰি দুৰ্ব্বল কৰি পেলালে। ৰাজনীতিতো এই দুৰ্ব্বলতা আছিল। উৎপাদন শক্তিকো হ্ৰাস কৰিলে। এই দুৰ্ব্বলতাৰ কৰাল গ্ৰাসে দক্ষিণতকৈ উত্তৰ ভাৰতক আগেয়ে সামৰি ললে। দক্ষিণাত্যত ভাৰতৰ ৰাজনীতি আৰু সভ্যতাই প্ৰাধান্যতা লাভ কৰিলে। শত্ৰুৰ আক্ৰমনৰ পৰা দক্ষিণ ভাৰত ৰক্ষা পৰি থকাৰ কাৰনেই উত্তৰ-ভাৰতৰ শিল্পী ও সাহিত্যিক দক্ষিণ ভাৰতলৈ আহি শান্তিৰে বসতি কি স্বস্তিৰ নিঃশাস পেলায়।

দক্ষিণভাৰত ক্ৰমান্বয়ে শিল্প সাহিত্য বানিজ্য সকলো ক্ষেত্ৰতেই উন্নতিৰ জখলাত আগুৱাই গল। উন্নত আৰু শৃঙ্খলা বদ্ধ শাসন পদ্ধতিয়ে মানুহৰ মনত শান্তি আনিলে।

অতীজৰে পৰা উত্তৰ ভাৰতেই ভাৰতৰ সকলো ঠাই দখল কৰি আহিছে। উত্তৰ ভাৰত কেইবা খনো সৰু সৰু ৰাজ্যত পৰিণত হ'ল! বেনাৰচ ধৰ্ম্ম আৰু চৰ্চ্চাৰ কেন্দ্ৰ হল। কাশ্মিৰত ব্ৰাহ্মণ আৰু বৌদ্ধ সকলে বহু দিনৰ পৰাই সংস্কৃত চৰ্চ্চা কৰি আহিছে।

বিশ্ববিদ্যালয়ৰ ভিতৰত নলন্দা বিশ্ববিদ্যালয়েই সকলোতকৈ বিখ্যাত আছিল। সেই সময়ত নলন্দা বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰাটো বৰ গৌৰবৰ কথা আছিল। পোষ্ট গ্ৰেজুৱেটৰ শিক্ষা ইয়াত লাভ কৰিছিল। এই শিক্ষা লাভ কৰিবৰ কাৰণে ইয়ালৈ চীন, জাপান, তিব্বেত, কোৰীয়া, মঙ্গোলীয়া আৰু বুখাৰা আদিৰ পৰা ছাত্ৰ আহিছিল। ধৰ্ম্ম, দৰ্শন আদি শিক্ষা দিয়াৰ উপৰিও নিজ হাতে কৰিব পৰা শিক্ষাও ইয়াত দিয়া হৈছিল। শিল্পবিদ্যা আৰু ভূতত্ত্বৰ বিষয়ে ইয়াত শিক্ষা লভিছিল। ঔষধ, কৃষি আৰু গৰুৰ চিকিৎসাৰ বিষয়েও ইয়াত শিক্ষা পাইছিল। বিশ্ববিদ্যালয়ৰ শিক্ষাবিদ সকলৰ মেধা-শক্তি আলোচনা আৰু তৰ্কৰ যোগেদি প্ৰকাশ কৰিছিল। নলন্দা বিশ্ববিদ্যালয়ৰ মেধাবী সকলেই ভাৰতৰ সভ্যতা আৰু কৃষ্টি দেশ বিদেশত প্ৰচাৰ কৰে। ইয়াৰ উপৰিও বিহাৰৰ ভাগলপুৰত

বিক্ৰমশীলা বিশ্ববিদ্যালয় আৰু কাঠিহাৰত বালাভীতা বিশ্ববিদ্যালয় আছিল।

গুপ্তসাম্ৰাজ্যৰ দিনত উজ্জয়িনী বিশ্ববিদ্যালয় ভাৰতৰ নামজ্বলা বিশ্ববিদ্যালয়। দক্ষিণাত্যত অম্ৰাৱতী বিশ্ববিদ্যালয়ো নামজ্বলা বিশ্ববিদ্যালয় হৈ উঠে। সহস্ৰ বছৰৰ ব্যৱধানে আৰু লাহে লাহে হ্ৰাস পাই অহা ভাৰতীয় সভ্যতাৰ বিয়লি পৰত ভাৰতৰ উজ্জ্বল দিপ্তীমন্ত প্ৰভাত ম্লান হৈ আহিল।

বৌদ্ধ ধৰ্ম্ম আৰু ব্ৰাহ্মনি ধৰ্ম্ম দুয়োটাই পূজা পাতলৰ নিম্ন স্তৰলৈ নামি গৈ নিজৰ নিজস্ব হেকৱাই পেলালে। ইয়াৰ ঠাইত অন্যায় আচৰনৰে তান্ত্ৰিকতাই সমাজত ঠাই ললে।

ভাৰতৰ সাহিত্য জগতত ভৱভূতিয়েই একেবাৰেই শেষৰ নামজ্বলা কৰি। এওঁ অষ্টম শতাব্দীৰ এজন নামজ্বলা গণিতজ্ঞও।

ই, বি হাভেলৰ মতে ভাৰতে ৭ম আৰু ৮ম শতাব্দীত শিল্প বিখ্যাত ডাঙৰ ডাঙৰ মূৰ্ত্তিত বং কৰে। ৮মৰ পৰা চতুৰ্দ্দশ শতাব্দীলৈকে ভাৰতৰ শিল্পবিদ্যাৰ উন্নতি হয় আৰু ষোলশ শতাব্দীত ক্ৰমান্বয়ে হ্ৰাস পায়।

৯ম শতাব্দীত দক্ষিণ ভাৰতৰ পৰা একেবাৰেই শেষৰ ঔপনিবেশিকৰ দল যায়। দক্ষিনভাৰতৰ চোলাৰাজ্যই একাদশ শতাব্দীলৈকে বিখ্যাত সাগৰ শক্তিৰূপে পৰিগণিত হয়। এওঁলোকেই শ্ৰীবিজয় দখল কৰে।

সূক্ষ্মভাবে তন্নকৈ তন্নকৈ ফঁহিয়াই চালে দেখা যায় ভাৰতে ক্ৰমান্বয়ে মেধাশক্তি ও উৎপাদন শক্তি হেকৱাই আহিছে। এই হ্ৰাস খুব মন্থৰ গতিত চলি আহি শেষ অৱস্থা পাওতে বহু শতাব্দী লাগিল। ভাৰতৰ শক্তি উত্তৰ ভাৰত উৎপন্ন হয় আৰু দক্ষিণ ভাৰতত শেষত বিয়পে।

কিয় বাৰু ভাৰতৰ ৰাজনীতি আৰু সভ্যতাই এনেদৰে গতি সলাই শুকাই গল? ভাৰতৰ সভ্যতা বহু যুগ ধৰি চলি অহাৰ কাৰনে কিম্বা নতুন ধৰনৰ সভ্যতাৰ ঢৌ অগাপিচাকৈ ভাৰতলৈ অহাৰ কাৰণে এই

গতিৰ বিপৰ্য্যয় ঘটিল নে কি ? নতুবা বাহিৰা শত্ৰুৰ আক্ৰমনে এই গতি আগুৱাই যোৱাত বাধা দিলে ?

ডাঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ মতে ভাৰতীয় ৰাজনৈতিক অবনতিয়ে ভাৰতীয় সভ্যতা আৰু কৃষ্টি লুপ্ত হৈ অহাত অৰিহনা যোগায়। ভাৰতৰ সৰু সৰু ৰাজ্য বিলাকৰ শাসনৰ দলাদলিত আৰু জাতি বিভাজনে মূৰ দাঙ্গি সমাজৰ অৱনতি ঘটুৱাত ভাৰতৰ ৰাজনীতিৰ অৱনতি ঘটে।

সভ্যতাৰ পূৰ্ণ স্তৰত ভৰি দিয়া ভাৰতৰ নিচিনা এখন বৃহৎ দেশ ইমান সহজেই যে পৰপদানত পৰি যাব ই সঁচাকৈয়েই ভাবিব লগীয়া কথা। ভাৰতীয় সমাজৰ নানান শিঠিলতা আৰু বেমেজালিয়ে ভিতৰি ভিতৰি ভাৰতক দুৰ্ব্বল কৰি আনিলে। অহৰহ ঘূৰণে যদি জীৱ-জগতৰ জন্ম শক্তি হেৰুৱাই তেন্তে মানবৰ মস্তিস্কয়ো অহৰহ চিন্তাৰ তৰঙ্গত ভাবৰ আঁট হেৰুৱাই পেলাব। ই জানো সম্ভব ?

সভ্যতাৰ উত্থান পতনৰ দৃষ্টান্ত আমি বহু পাই আহিছো। ৰোম ৰাজ্যৰ পতনৰ লগে লগে ইউৰোপৰ সভ্যতাৰ পতন হল। উত্তৰ ফালৰ শত্ৰুৰ হাতত পৰাজয় হোৱাৰ আগতেই ৰোম ৰাজ্যৰ ভিতৰি ভিতৰি অৱনটি ঘটিল। ৰোমৰ আৰ্থিক অৱস্থাই এসময়ত যি ভাবে পূৰ্ণাঙ্গ লাভ কৰিলে সি ক্ৰমান্বয়ে ৰসাতলত পৰি গল। বানিজ্য হ্ৰাস পালে আৰু উন্নত নগৰ ও চহৰ অধোন্নতিয়ে গ্ৰাস কৰিলে। দেশৰ উৎপাদন শক্তিও নোহোৱা হল। ৰোমৰ সম্ৰাটে অতীতৰ অৱস্থা ঘুৰাই আনিবলৈ বহু চেষ্টা চলালে কিন্তু কৃতকাৰ্য্য নহল। শেষত ৰোম ধ্বংশৰ মুখত পৰিল।